# SOCIETY IN THE SCREEN

In glowing screens, we shape our days
With silent taps and endless scrolls
We share our lives in fragments small
Yet hide the weight within our souls

Faces smile through filtered frames
Perfect moments neatly shown
But behind the light of every screen
Many hearts still feel alone

We talk in likes and brief replies
In stories that fade away
Conversations grow more digital
While real words slowly decay

Crowded feeds and countless voices
Still, distance quietly grows
We know each other's daily lives
Yet not the pain nobody shows

Together in this virtual world
Yet strangers in reality
Connected more than ever before
But losing human closeness silently

And somewhere in this modern life
Between what's real and what's unseen
Society slowly finds its place
Living more inside the screen.

– Tanvi Barla
B.A 6th Semester

# THE GRADUATION

Here comes the graduation
Here comes reality
A world of flexibility
An openess to what will be

A path toward the unknown
Where courage must unfold
Dreams begins to take their shape
And hearts try to be bold

Tensions and stress overflow the mind
Questions whisper, "what's next!"
Fear walks quietly beside us
As we leave what we knew best

Childhood was the safest place
Simple days, carefree again
Sometimes we wish to go back
To be those kids once again

Stepping into the real world now
Leaving notebooks and routines behind
Welcoming new paths of life
With hope and dreams combined

For a better future we move ahead
Through uncertain roads we see
Graduation is not just an ending -
It's who we're about to be.

– Tanvi Barla
B. A 6th Semester

# वक्त की चोट

वक्त चुप है, पर हर घाव दिखता है,
जो खो गया, वही सबसे ज्यादा रुलाता है।

रातों की नींद, आँखों के सपने,
सब उसकी आग मे जल जाते।
कभी खाली हाथ, कभी टूटता मन,
हर मोड़ पे करता है, ये परीक्षण।
"कल कर लेंगे" कहकर जो सो जाता है,
वही इंसान उम्र भर पछताता है।

पर जो हर दर्द को ताकत बनाले,
वक्त से लड़कर खुद को सजा ले,
वही लिखता है, अपनी पहचान -
वक्त भी झुकता है उसके सामने एक दिन।

निक्की कुमारी राई

# প্ৰবন্ধৰ শিতান

# ARTICLES

# অবিনাশী সৃষ্টি আৰু এটি অমৰ সত্তা : জুবিন গাৰ্গ

"মৃত্যুটো এটা শিল্প,
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য,
শিল্পীৰ জানো মৃত্যু হয় !"

সময় আছিল ২০২৫ চনৰ ১৯ ছেপ্তেম্বৰৰ সেই কৰুণ দুপৰীয়াটো। চাৰিওফালে বিয়পি পৰিছে এটা খবৰ, ছিংগাপুৰত মৃত্যু হৈছে জুবিন গাৰ্গৰ। সিমানতেই অন্ত পৰিছে এটা যুগৰ। ছিংগাপুৰৰ পৰা ভাঁহি অহা এটা সংবাদে যেন মুহূৰ্ততে সমগ্ৰ অসমৰ আকাশ বতাহ নিস্তব্ধ কৰি পেলালে। সকলো সুৰ, সকলো উৎসাহ আৰু হাজাৰ হাজাৰ অনুৰাগীৰ বুকুত সজীৱ হৈ থকা আশাৰ প্ৰদীপ যেন থমকি ৰ'ল কাৰণ জুবিনেই যেন জীৱন আছিল বিংশ শতিকাৰ প্ৰতিটো প্ৰজন্মৰ। সেই দিনটো মোৰ জীৱনৰ এক অবিস্মৰণীয় অথচ দুখৰ সাগৰত বিলীন হোৱা এটি অধ্যায় হৈ ৰ'ব গ'ল। অসমৰ তথা ভাৰতৰ সংগীত আকাশৰ উজ্জ্বল নক্ষত্ৰ, এগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন শিল্পী জুবিন গাৰ্গ. তেওঁ কেৱল এজন কণ্ঠশিল্পীয়েই নাছিল, বৰঞ্চ তেওঁ আছিল এজন দক্ষ সংগীত পৰিচালক, গীতিকাৰ, অভিনেতা, চলচ্চিত্ৰ প্ৰযোজক, চলচ্চিত্ৰ পৰিচালক, চিত্ৰনাট্যকাৰ, বাদ্যযন্ত্ৰী, কবি আৰু এগৰাকী নিঃস্বাৰ্থ সমাজকৰ্মী। এই বিয়াগোম সত্তাটোৰ মহাপ্ৰয়াণৰ খবৰটো যদিও বাস্তৱ আছিল, তথাপিও যেন সেই নিষ্ঠুৰ সত্যক মানি ল'ব পৰা নাছিলোঁ।

প্ৰথমে অনুভৱ হৈছিল - এয়া নিশ্চয় এক বিভ্ৰান্তিকৰ বাতৰি, কাৰণ এনে মানুহ কেতিয়াও হেৰাই নাযায়, তেওঁলোকে সদায় হৃদয়ত সজীৱ হৈ থাকে। কিন্তু সময়ে লাহে লাহে সেই সত্যটো মোৰ আগত উন্মোচিত কৰি দিলে। মোৰ বুকুৰ মাজত যেন এক অদৃশ্য বেদনা গঢ়ি উঠিল, যাক কোনো শব্দৰে প্ৰকাশ কৰিব নোৱাৰি। মোৰ স্মৃতিৰ পাতত একেলগে সজীৱ হৈ উঠিল তেওঁৰ কণ্ঠত প্ৰাণ পাই উঠা সেই অজস্ৰ কালজয়ী সৃষ্টিৰাজি। তেওঁৰ সুৰবোৰেই আমাক প্ৰেমৰ পবিত্ৰতা শিকাইছিল, বিৰহৰ দুখক আকোৱালি ল'বলৈ সাহস দিছিল আৰু জীৱনৰ কঠিন মুহূৰ্তবোৰক এক নতুন দৃষ্টিৰে চাবলৈ অনুপ্ৰাণিত কৰিছিল। তেওঁৰ কণ্ঠত আছিল বিৰহৰ দহন, প্ৰেমৰ মাদকতা আৰু বিদ্ৰোহৰ তীব্ৰতা। মই অকলে সেই মৰ্মবেদনা অনুভৱ কৰা নাছিলোঁ, বৰঞ্চ সমগ্ৰ অসমবাসীৰ হৃদয়ত সেইদিনা এক গভীৰ শূন্যতাই বিৰাজ কৰিছিল। কোনোবাই চকুলো লুকুৱাই নীৰৱে শোকত ম্ৰিয়মাণ হৈছিল, আকৌ কোনোবাই তেওঁৰ গানৰ কলিবোৰৰ মাজতেই অলপ মানসিক প্ৰশান্তি বিচাৰি পাইছিল।

সময়ৰ সোঁতত জীৱনৰ গতি স্তব্ধ হোৱা নাই যদিও কিছুমান স্মৃতি কেতিয়াও ম্লান নহয়; বৰঞ্চ সময়ৰ বিৱৰ্তনৰ লগে লগে সেইবোৰ আৰু অধিক গভীৰ আৰু উজ্জ্বল হৈ ধৰা দিয়ে। আজিও যেতিয়া তেওঁৰ কণ্ঠৰ সেই চিনাকি সুৰ কাণত পৰে, মুহূৰ্ততে অনুভৱ হয় যেন তেওঁ আমাৰ মাজৰ পৰা কেতিয়াও বিলীন হৈ যোৱা নাই, তেওঁ এতিয়াও বিৰাজমান প্ৰতিটো শব্দত, প্ৰতিটো মূৰ্চ্ছনাত আৰু আমাৰ হৃদয়ৰ প্ৰতিটো নিভাঁজ অনুভৱত। যিমান দিনলৈকে লুইতৰ বুকুত উত্তাল তৰংগ থাকিব, যিমান দিনলৈকে আমাৰ জাতীয় উৎসৱ বিহু থাকিব, সিমান দিনলৈকে জুবিন গাৰ্গ আমাৰ বুকুৰ স্পন্দন হৈ প্ৰতিজন অসমীয়াৰ মাজত জীয়াই থাকিব।

প্ৰকৃততে জুবিন গাৰ্গ কেৱল এজন ব্যক্তি নহয়, তেওঁ প্ৰতিজন অসমীয়াৰ বাবে এক চিৰন্তন আৱেগ, এক সুকীয়া পৰিচয় আৰু এক বিশাল সত্তা। তেওঁ বস্তুগতভাৱে আমাৰ মাজৰ পৰা আঁতৰি তেওঁৰ নশ্বৰ দেহটো হয়তো পঞ্চভূতত বিলীন হৈ গলেও তেওঁৰ কালজয়ী সৃষ্টিৰাজি আৰু অনবদ্য অৱদান চিৰকাল অক্ষুন্ন হৈ ৰ'ব। তেওঁ দি যোৱা সহস্ৰ গীত, তেওঁৰ চলচ্চিত্ৰ আৰু তেওঁৰ বলিষ্ঠ চিন্তাধাৰাই অমৰ নৱ-প্ৰজন্মৰ প্ৰতিটো খোজতে প্ৰেৰণা আৰু পথ প্ৰদৰ্শন কৰি যাব। শিল্পীৰ শৰীৰ মৰণশীল হ'ব পাৰে কিন্তু তেওঁৰ অনুপম সৃষ্টিৰাজিৰ মাজেৰে আমাৰ হৃদয়ত অমৰ হৈ জীয়াই থাকিব।

— বনালী হাজৰিকা
ষষ্ঠ ষাণ্মাসিক

# ডিজিটেল নিৰ্জনতা আৰু হেৰাই যোৱা চোতালখন

সময়ৰ চকা ঘূৰিছে। আমি এতিয়া এনে এক যুগত বাস কৰিছোঁ য'ত পৃথিৱীখন আমাৰ হাতৰ মুঠিত, কিন্তু আমাৰ একেবাৰে কাষৰ মানুহজনৰ পৰা আমি যেন বহু যোজন দূৰত। এজন ডিগ্ৰী মহলাৰ শিক্ষাৰ্থী হিচাপে যেতিয়া সমাজৰ এই দ্ৰুত পৰিৱৰ্তনবোৰ লক্ষ্য কৰোঁ, তেতিয়া মনলৈ এটা শব্দ বাৰে বাৰে আহে - 'ডিজিটেল নিৰ্জনতা'।

এসময়ত আমাৰ সমাজখন আছিল 'চোতাল' কেন্দ্ৰিক। গধূলি হ'লে চুবুৰীৰ মানুহ একেলগে গোট খাইছিল, কথা পাতিছিল আৰু সুখ-দুখৰ ভাগ লৈছিল। সেই চোতালখন আছিল এক আনুষ্ঠানিক সামাজিক পাঠশালা। কিন্তু আজি সেই চোতালবোৰ সংকীৰ্ণ হ'ল আৰু আমাৰ সামাজিক সম্পৰ্কবোৰ স্মাৰ্টফোনৰ ৫ ইঞ্চিৰ স্ক্ৰীণখনত আবদ্ধ হৈ পৰিল। আমি ফেচবুক বা ইনষ্টাগ্ৰামত হাজাৰজনৰ লগত 'কানেক্টেড', কিন্তু নিজৰ মনৰ কথাখিনি পাতিবলৈ আমাৰ ওচৰত এজনো প্ৰকৃত মানুহ নাই। এয়া এক বিচিত্ৰ বিৰোধাভাস- আমি আজি ভিৰৰ মাজতো ভীষণ অকলশৰীয়া।

প্ৰযুক্তিয়ে আমাক অলেখ সুবিধা দিছে সঁচা, কিন্তু ই আমাৰ পৰা কাঢ়ি নিছে আমাৰ 'মৌলিকতা' আৰু 'ধৈৰ্য'। আজি আমি যিকোনো তথ্য ইণ্টাৰনেটত এটা ক্লিকতে পাওঁ, কিন্তু সেই তথ্যক গভীৰভাৱে বিশ্লেষণ কৰাৰ ক্ষমতা আমাৰ কমি আহিছে, আনকি আমাৰ আৱেগবোৰো প্ৰতিয়া কেৱল 'ইম'জিৰ (Emoji) মাজতে সীমাবদ্ধ। মানুহৰ চকুত চকু থৈ কথা পতাৰ যি নিভাঁজ আনন্দ, তাক আজি 'ভিডিঅ' কল' বা 'টেক্সট মেছেজে' চেৰ পেলাইছে।

সমাজ এখন তেতিয়াহে আগবঢ়া হয়, যেতিয়া তাৰ মানুহবোৰৰ মাজত যান্ত্ৰিকতাতকৈ আন্তৰিকতা বেছি থাকে। কেৱল ডিজিটেল 'লাইক' বা 'কমেণ্টৰে' এখন সুস্থ সমাজ গঠন হ'ব নোৱাৰে। আমাক পুনৰ সেই 'চোতালখন' লাগে - য'ত মানুহৰ মুখৰ হাঁহিটোত কোনো কৃত্ৰিমতা নাথাকে, য'ত কথা পাতিলে একোটা গধূলি নিমিষতে পাৰ হৈ যায়। এজন সচেতন শিক্ষাৰ্থী হিচাপে আমাৰ দায়িত্ব হ'ল প্ৰযুক্তিক প্ৰয়োজনত ব্যৱহাৰ কৰা, কিন্তু প্ৰযুক্তিৰ হাতত নিজৰ অস্তিত্ব বিলীন হ'বলৈ নিদিয়া। আহক, আমি ফোনৰ নোটিফিকেচনৰ শব্দতকৈ কাষৰ মানুহজনৰ মাতটোত বেছি গুৰুত্ব দিওঁ। ডিজিটেল নিৰ্জনতাৰ পৰা ওলাই আহি আমি পুনৰ এজন প্ৰকৃত 'সামাজিক মানুহ' হৈ উঠাৰ সংকল্প লওঁ।

– প্ৰিয়াংক্ষী দত্ত
ষষ্ঠ ষাণ্মাসিক

# শিক্ষা আৰু সমাজ: এক অবিচ্ছেদ্য সম্পৰ্ক

শিক্ষা হ'ল সমাজৰ প্ৰাণস্পন্দন আৰু সভ্যতাৰ মেৰুদণ্ড। কোনো এখন সমাজ কিমান উন্নত, সেয়া নিৰ্ভৰ কৰে সেই সমাজখনৰ শৈক্ষিক চৰিত্ৰৰ ওপৰত। শিক্ষা কেৱল চাৰিবেৰৰ মাজত লোৱা আনুষ্ঠানিক পাঠ্যক্ৰমেই নহয়, ই হ'ল মানুহৰ বিবেকক জাগ্ৰত কৰাৰ এক নিৰন্তৰ প্ৰক্ৰিয়া। সমাজ আৰু শিক্ষা এটা মুদ্ৰাৰ দুটা পিঠিৰ দৰে এখন সুস্থ সমাজৰ বাবে যিদৰে শিক্ষাৰ প্ৰয়োজন, ঠিক তেনেদৰে শিক্ষাৰ প্ৰসাৰৰ বাবেও এখন সুস্থ সমাজৰ আৱশ্যক।

মানুহৰ জন্মগতভাৱে একো একোটা সামাজিক শ্ৰেণী, কিন্তু এই প্ৰাণীক এজন সু-নাগৰিক হিচাপে গঢ়ি তোলে। শিক্ষাই সমাজৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ ভেটি স্থাপন কৰে। এখন শিক্ষিত সমাজে অন্ধবিশ্বাস, কুসংস্কাৰ আৰু সাম্প্ৰদায়িকতাৰ দৰে সামাজিক ব্যাধিক যুক্তিৰ জোৰেৰে নেওচিব পাৰে। নৈতিকতা অবিহনে সমাজ এখন কেতিয়াও শৃংখলিত হ'ব নোৱাৰে। শিক্ষাই ব্যক্তিক সততা, মানৱতা আৰু সহনশীলতাৰ পাঠ দিয়ে, যাৰ ফলত সমাজত অপৰাধমূলক প্ৰৱণতা হ্ৰাস পায় আৰু এক সুস্থ পৰিৱেশ গঢ়ি উঠে।

শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ ভূমিকা হ'ল সামাজিক সমতা স্থাপন কৰা। এখন প্ৰকৃত উন্নত সমাজত ধনী-দুখীয়া বা জাতি-ধৰ্মৰ ভিত্তিত বৈষম্য থকাটো অনুচিত। শিক্ষাই মানুহৰ মাজত থকা বিভেদৰ দেৱাল ভাঙি মিলামিল আৰু ভাতৃত্ববোধৰ সৃষ্টি কৰে। বিশেষকৈ নাৰী শিক্ষাৰ প্ৰসাৰে সমাজৰ এটা বৃহৎ অংশক শক্তিশালী কৰি সামগ্ৰিক উন্নয়নত গতি প্ৰদান কৰে। অৱশ্যে একাংশ অতিৰিক্ত শিক্ষাৰ হাৰ বৃদ্ধি পাইছে যদিও ইয়াৰ গুণগত মানক লৈ আজিও প্ৰশ্ন উত্থাপন হয়। বৰ্তমানৰ শিক্ষা ব্যৱস্থা বহু পৰিমাণে কেৱল জীৱিকা-কেন্দ্ৰিক হৈ পৰা পৰিলক্ষিত হৈছে, যাৰ ফলত প্ৰকৃত মানৱীয় শিক্ষাৰ কিছু অভাৱ ঘটিছে।

সামৰণিত ক'ব পাৰি যে এখন আদৰ্শ সমাজ গঢ়াৰ মূল চাবিকাঠি হ'ল জ্ঞানৰ প্ৰসাৰ। শিক্ষাই মানুহক কেৱল নিজৰ অধিকাৰৰ প্ৰতিয়েই নহয়, সমাজৰ প্ৰতি থকা নিজৰ দায়িত্বৰ প্ৰতিও সচেতন কৰি তোলে। সেয়েহে শিক্ষাৰ পোহৰ সমাজৰ প্ৰতিটো স্তৰলৈ নিয়াটো আমাৰ প্ৰতিজনৰ নৈতিক কৰ্তব্য। এখন প্ৰকৃত শিক্ষিত সমাজেহে পাৰে বিশ্বৰ দৰবাৰত নিজৰ দেশক মৰ্যদা সহকাৰে প্ৰতিষ্ঠা কৰিবলৈ।

— পায়েল মজুৰী
ষষ্ঠ ষাণ্মাসিক

# জুবিন গাৰ্গ : যন্ত্ৰণাৰ সুৰত আশাৰ প্ৰতিধ্বনি

অসমৰ মাটিত এনে কিছুমান মানুহৰ জন্ম হয়, যিসকলে কেৱল নিজৰ বাবে জীয়াই নাথাকে, তেওঁলোকে জীয়াই থাকে এটা জাতিৰ আত্মাক সুৰৰ ভাষাত প্ৰকাশ কৰিবৰ বাবে। সংগীতৰ জৰিয়তে এটা জাতিক একত্ৰিত কৰিব পৰা ক্ষমতা থকা আধুনিক অসমৰ মহীৰূহ শিল্পীজনেই হ'ল জুবিন গাৰ্গ, তেওঁৰ কণ্ঠত যিদৰে বিৰহৰ গভীৰ যন্ত্ৰণা আছে ঠিক সেইদৰেই আছে জীৱনক নতুনকৈ জয় কৰাৰ এক অদম্য আশা। তেওঁৰ গীতসমূহ কেৱল শব্দৰ সমষ্টি নহয়, বৰঞ্চ ই একো একোটা অনুভৱৰ গাথাঁ। তেওঁৰ কণ্ঠ মাথোঁ এটি সুৰৰ যন্ত্ৰ নাছিল, সেই কণ্ঠ আছিল লাখ লাখ মানুহৰ অব্যক্ত যন্ত্ৰণা, নিৰাশা, আশা আৰু প্ৰেমৰ এক জীৱন্ত দলিল। যন্ত্ৰণাৰ গভীৰতাৰ পৰাই যেতিয়া আশাৰ সুৰ বাজি উঠে, তেতিয়াই জন্ম হয় এক অমৰ শিল্পীৰ। সেই অমৰ শিল্পীৰ জীৱন্ত প্ৰতীক হ'ল হিয়াৰ আমঠু জুবিন গাৰ্গ।

যন্ত্ৰণাৰ দস্তাবেজ হিচাপে জুবিন গাৰ্গৰ সুৰ তেওঁৰ বহু গীতত এক প্ৰকাৰৰ অন্তৰ্নিহিত যন্ত্ৰণা স্ফুটি উঠে। তেওঁৰ কণ্ঠত থকা এক অনন্য বিষাদগ্ৰস্ততাই শ্ৰোতাৰ হৃদয়ৰ গভীৰ কোণ স্পৰ্শ কৰে, বিশেষকৈ তেওঁৰ বিৰহৰ গীতবোৰত নিজকে হেৰুৱাই পেলোৱাৰ যি আৰ্তনাদ থাকে সেয়া যেন আধুনিক মানুহৰ একাকীত্বৰেই প্ৰতিধ্বনি। জুবিন গাৰ্গৰ যন্ত্ৰণা কেৱল গীতত আবদ্ধ নহয়, তেওঁৰ ব্যক্তিগত জীৱনৰ ঘাত-প্ৰতিঘাত, আপোনজনক হেৰুওৱাৰ বেদনা আৰু নেতিবাচক চৰ্চাৰ মাজতো তেওঁ যি যন্ত্ৰণা ভোগ কৰিছে সেই সকলোবোৰ তেওঁৰ সুৰত প্ৰাণ পাই উঠিছে।

যন্ত্ৰণাৰ পৰা মুক্তিৰ পথ যন্ত্ৰণাৰ মাজত ডুবি থকাই জুবিন গাৰ্গৰ শেষ পৰিচয় নহয়। তেওঁৰ সংগীতৰ আটাইতকৈ শক্তিশালী দিশটো বিষাদ বা যন্ত্ৰণাৰ শেষত আশাৰ পোহৰ দেখুওৱা। তেওঁৰ গীতত এক বিদ্ৰোহী সত্তা লুকাই থাকে, যিয়ে কব খোজে যে যন্ত্ৰণাই মানুহক ভাঙিব নোৱাৰে। তেওঁৰ 'যাত্ৰা', 'পাখি' বা বহুতো আধুনিক গীতত সুৰ প্ৰকাশৰ বাবে সাহস যোগায়। যন্ত্ৰণাক তেওঁ এক শক্তিলৈ ৰূপান্তৰ কৰে। তেওঁৰ সুৰৰ আশা কেৱল মঞ্চতে সীমাবদ্ধ নহয়। বানপীড়িতক সহায় কৰাই হওঁক বা আৰ্তজনক চিকিৎসাত সহায় কৰাই হওঁক, তেওঁ নিজৰ কৰ্মৰে সমাজত আশাৰ বীজ সিঁচি থৈ গৈছে। জুবিন গাৰ্গে সংগীত জগতলৈ যি নৱজাগৰণ আনিলে, সেয়া অতুলনীয়। তেওঁৰ সুৰত যন্ত্ৰণা আৰু আশাৰ যি সহাৱস্থান সেয়া আজিৰ যান্ত্ৰিক যুগত মানুহৰ বাবে এক ডাঙৰ আশ্ৰয়স্থল। তেওঁৰ গীত শুনি হাজাৰজন হতাশাগ্ৰস্ত প্ৰতিজন ব্যক্তিয়ে নতুনকৈ জীয়াই থকাৰ সপোন দেখে।